আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, MARCH 17, 2024 www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৭৯ Guwahati, Assam ।। মূল্যঃ এটকা


১৬ মে’, ২০১৪
## ‘অচ্ছে দিন আনেৱালে হ্যায়!’
মোদী

২৩ মে’, ২০১৯
## ‘সংবিধান হি ছুপ্ৰিম হ্যায়!’
মোদী

## ৪ জুন, ২০২৪ ■ ‘পাব্লিক হ্যায়, য়ে সব জান্তি হ্যায়!’

# ১৯ এপ্ৰিলৰ পৰা ৭টা পৰ্যায়ত ভোটগ্ৰহণ




## ১ জুনত পৰিব অন্ত

ই-সংবাদ বিশেষ, ১৬ মাৰ্চঃ এফালে নাগৰিকত্ব সংশোধনী আইনক লৈ দেশজুৰি প্ৰতিবাদৰ উকমুকনি, আনফালে নিৰ্বাচনী বণ্ডৰ ফাদিল তথ্যক লৈ স্তম্ভিত দেশবাসী! দেশত ঘটি থকা এনেবোৰ ঘটনাৰ মাজতে আকৌ দুই নিৰ্বাচন আয়ুক্তৰ নিযুক্তি প্ৰক্ৰিয়াক লৈ একাংশৰ সন্দেহৰ চাৱনি কিন্তু তাৰ মাজতে আজিৰে পৰা দেশত জাৰি হ’ল নিৰ্বাচনী শেষাংশ ২ পৃষ্ঠাত

## মণিপুৰত শিবিৰতো ভোট

নতুন দিল্লী, ১৬ মাৰ্চঃ হিংসা জৰ্জৰিত মণিপুৰৰ দুটা লোকসভা সমষ্টিত দুটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ’ব। হিংসাপীড়িত ৰাজ্যখনৰ শিবিৰত বাস কৰা লোকসকলক বৰ্তমান শেষাংশ ৩ পৃষ্ঠাত

## বিহু খাই ৩টা পৰ্যায়ত ভোট দিব অসমীয়াই

**ই-সংবাদ, ১৬ মাৰ্চঃ** আজি দেশৰ নিৰ্বাচন আয়োগে আগন্তুক লোকসভা নিৰ্বাচনৰ তাৰিখ ঘোষণা কৰিছে। দেশত ৭টা পৰ্যায়ত লোকসভাৰ নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ’ব। দেশৰ বিভিন্ন প্ৰান্তৰ বতৰ তথা বিভিন্ন পৰম্পৰাগত উৎসৱক লক্ষ্য কৰি লৈ ভোটগ্ৰহণৰ তাৰিখ নিৰ্ধাৰণ কৰিছে নিৰ্বাচন আয়োগে। বিশেষেকৈ উত্তৰ-পূৰ্বৰ ৰাজ্যসমূহৰ বতৰ আৰু উৎসৱৰ বাবে পূৰ্বতকৈ নিৰ্বাচনৰ দিন পিছুৱাই দিছে নিৰ্বাচন আয়োগে। ২০১৯ চনৰ লোকসভা নিৰ্বাচনত অসমত ২৩ শেষাংশ ৩ পৃষ্ঠাত

## ভোটাৰ কাৰ্ডৰ আবেদনৰ বয়সক লৈ বৃহৎ ঘোষণা

**নতুন দিল্লী, ১৬ মাৰ্চঃ** আজি নিৰ্বাচন আয়োগে সাধাৰণ নিৰ্বাচনৰ দিন ঘোষণা কৰিলে। তাৰ লগে লগে নতুন ভোটাৰৰ বাবে গুৰুত্বপূৰ্ণ ঘোষণা কৰিছে নিৰ্বাচন আয়োগে। ১৮ বছৰ শেষাংশ ৪ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ১৯ এপ্ৰিলৰ পৰা ৭টা

আচৰণবিধি। আজি বিয়লি ৩ বজাত এক সংবাদমেল সম্বোধন কৰি সমাগত লোকসভা নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰাৰ লগতে আজিৰে পৰা নিৰ্বাচনী আচৰণ বিধি জাৰি কৰাৰ কথা ঘোষণা কৰিলে দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে সংবাদমেলত আজি নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰি কয় যে অহা ১৯ এপ্ৰিলৰ পৰা সাতটা পৰ্যায়ত অনুষ্ঠিত হ'ব লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ। ইয়াৰ পিছতে ৪ জুনত ঘোষণা কৰা হ'ব ফলাফল। অৰ্থাৎ এইবাৰ মুঠ ৪০ দিন ধৰি চলিব ভোটগ্ৰহণ প্ৰক্ৰিয়া। মন কৰিবলগীয়া যে, এইবাৰ কিছু পিছুৱাই দিয়া হৈছে নিৰ্বাচনৰ সমগ্ৰ প্ৰক্ৰিয়া। ২০১৯ৰ সাধাৰণ নিৰ্বাচনতো সাতটা পৰ্যায়তে অনুষ্ঠিত হৈছিল ভোটগ্ৰহণ। ১৭ সংখ্যক লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল ১১ এপ্ৰিলত আৰু অন্তিম অৰ্থাৎ সপ্তম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল ১৯ মে'ত। এয়া ১৮ সংখ্যক লোকসভা নিৰ্বাচন। তৃতীয়বাৰৰ বাবে ক্ষমতাত অধিষ্ঠিত হোৱাৰ বাবে এইবাৰ ৰণাঙ্গনত নামিব মোদী নেতৃত্বাধীন বিজেপি। আনফালে বিজেপিৰ বিৰুদ্ধে দলে-বলে যুঁজ দিবলৈ সাজু ইণ্ডিয়া মিত্ৰজোঁট। ইতিমধ্যে নিৰ্বাচনী বতাহে বাউল কৰিছে সমগ্ৰ দেশ। 'মোদীৰ গেৰেণ্টী' আৰু 'অন্যায়-অবিচাৰ'ৰ বিৰুদ্ধে বিৰোধীৰ যুঁজে ইতিমধ্যে তীব্ৰতৰ কৰি তুলিছে নিৰ্বাচনী প্ৰচাৰ। কিন্তু তাৰ মাজতে দিল্লীৰ সীমান্তত কৃষকৰ আন্দোলন, লাডাখৰ আমৰণ অনশন, নিৰ্বাচনী বণ্ডৰ তথ্য আৰু 'কা'ক লৈ জনতাৰ মাজৰ মিশ্ৰিত প্ৰতিক্ৰিয়াই এইবাৰ নিৰ্বাচনত প্ৰভাৱ পেলোৱাৰো সম্ভাৱনা ব্যক্ত কৰিছে বহু বিশ্লেষকে। আজি দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে সংবাদমেলযোগে ঘোষণা কৰা মতে, মুঠ সাতটা পৰ্যায়ত অনুষ্ঠিত হ'ব লোকসভা নিৰ্বাচন। ১৯ এপ্ৰিলত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হোৱাৰ পিছত সপ্তম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব ১ জুনত। পৰৱৰ্তী সময়ত ৪ জুনত ফলাফল ঘোষণা কৰা হ'ব এই নিৰ্বাচনৰ। নিৰ্বাচন আয়োগে সদৰী কৰা মতে, প্ৰথম পৰ্যায়ত ২১ খন ৰাজ্যৰ ১০২ খন আসনৰ বাবে অনুষ্ঠিত হ'ব নিৰ্বাচন। ২০ মাৰ্চত নিৰ্বাচনী অধিসূচনা জাৰি কৰা হ'ব। ১৯ এপ্ৰিলত প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'বলগীয়া ৰাজ্য কেইখন হৈছে অৰুণাচল প্ৰদেশ, অসম, বিহাৰ, ছত্তীশগড়, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ৰাজস্থান, ছিকিম, তামিলনাডু, ত্ৰিপুৰা, উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড, পশ্চিম বংগ, আন্দামান নিকোবৰ, জম্মু কাশ্মীৰ, লক্ষদ্বীপ আৰু পুডুচেৰী।ইফালে দ্বিতীয় পৰ্যায়ত অৰ্থাৎ ২৬ এপ্ৰিলত ১৩ খন ৰাজ্যৰ ৮৯খন আসনৰ বাবে অনুষ্ঠিত হ'ব নিৰ্বাচন। ইয়াৰ বাবে ২৮ মাৰ্চত জাৰি কৰা হ'ব গেজেট অধিসূচনা। দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব অসম, বিহাৰ, ছত্তীশগড়, কৰ্ণাটক, কেৰালা, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, মণিপুৰ, ৰাজস্থান, ত্ৰিপুৰা, উত্তৰ প্ৰদেশ, পশ্চিমবংগ, জম্মু-কাশ্মীৰত। ৭ মে'ত ১২ খন ৰাজ্যত অনুষ্ঠিত হ'ব তৃতীয় পৰ্যায়ৰ নিৰ্বাচন। ১২ এপ্ৰিলত জাৰি কৰা হ'ব গেজেট অধিসূচনা। এই পৰ্যায়ত অসম, বিহাৰ, ছত্তীশগড়, গোৱা, গুজৰাট, কৰ্ণাটক, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, উত্তৰ প্ৰদেশ, পশ্চিম বংগ, দাদৰ নগৰ হাভেলী আৰু দমন ডিউৰ মুঠ ৯৪ খন আসনত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। চতুৰ্থ পৰ্যায়ত ১০খন ৰাজ্যৰ ৯৬খন আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। ১৮ এপ্ৰিলত জাৰি কৰা হ'ব গেজেট অধিসূচনা। তাৰ পিছত ১৩ মে'ত অনুষ্ঠিত হ'ব ভোটগ্ৰহণ। চতুৰ্থ পৰ্যায়ত অন্ধ্ৰ প্ৰদেশ, বিহাৰ, ঝাৰখণ্ড, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, ওড়িশা, তেলেংগানা, উত্তৰ প্ৰদেশ, পশ্চিম বংগ, জম্মু-কাশ্মীৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। পঞ্চম পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'ব ২০ মে'ত। ২৬ এপ্ৰিলত জাৰি কৰা হ'ব গেজেট অধিসূচনা। ছত্তীশগড়, ঝাৰখণ্ড, মহাৰাষ্ট্ৰ, ওড়িশা, উত্তৰ প্ৰদেশ, পশ্চিম বংগ, জম্মু কাশ্মীৰ আৰু লাডাখ- এই আঠ খন ৰাজ্যৰ ৪৯খন আসনত অনুষ্ঠিত হ'ব ভোটগ্ৰহণ । একেদৰে ষষ্ঠ পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব ৭ খন ৰাজ্যৰ ৫৭ খন আসনৰ বাবে। ২৫ মে'ত এই নিৰ্বাচন অনুষ্ঠিত হ'ব। ২৯ এপ্ৰিলত গেজেট অধিসূচনা জাৰি কৰা হ'ব। নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৰাজ্য কেইখন হৈছে বিহাৰ, হাৰিয়ানা, ঝাৰখণ্ড, ওড়িশা, উত্তৰ প্ৰদেশ, পশ্চিম বংগ আৰু দিল্লী। সপ্তম পৰ্যায় অৰ্থাৎ অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব ৮খন ৰাজ্যত। বিহাৰ, হিমাচল প্ৰদেশ, ঝাৰখণ্ড, ওড়িশা, পঞ্জাৱ, উত্তৰ প্ৰদেশ, পশ্চিম বংগ আৰু চণ্ডীগড়ৰ মুঠ ৫৭ খন আসনত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। পহিলা জুনত অনুষ্ঠিত হ'বলগীয়া অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে গেজেট অধিসূচনা জাৰি কৰা হ'ব ০৭ মে'ত। উল্লেখ্য যে, এইবাৰ লোকসভা নিৰ্বাচনত ভোটদান কৰিবলগীয়া মুঠ পঞ্জীয়নকৃত ভোটাৰৰ সংখ্যা হৈছে ৯৬.৮ কোটি। ইয়াৰে ৪৭.১ কোটি মহিলা ভোটাৰ আৰু ৪৯.৭ কোটি পুৰুষ ভোটাৰ। আনহাতে এইবাৰ ১.৮৯ কোটি ভোটাৰে প্ৰথমবাৰৰ বাবে ভোটাধিকাৰ সাব্যস্ত কৰিব, ২০-২৯ বছৰ বয়সৰ যুৱ ভোটাৰৰ সংখ্যা হৈছে ১৯.৭৪ কোটি। ইয়াৰ উপৰিও ২০২৪ চনৰ ০১ জানুৱাৰীত ১৮ বছৰ সম্পূৰ্ণ নোহোৱাসকলৰ নামো সংযোজন কৰা হৈছে। ২০২৪ চনৰ ১ এপ্ৰিলৰ ভিতৰত ১৩.৪ লাখ এনে আৱেদনে ১৮ বছৰ সম্পূৰ্ণ কৰিব আৰু ভোটদান কৰিব পাৰিব। নিৰ্বাচনত ভোটদান কৰিবলগীয়া মুঠ ভোটাৰৰ সংখ্যাৰ ৮৮.৪ লাখ হৈছে প্ৰতিবন্ধী ভোটাৰ, ৮৫ বছৰৰ উৰ্ধ্বৰ ভোটাৰৰ সংখ্যা হৈছে ৮২ লাখ আৰু ৪৮ হাজাৰ ভোটাৰ হৈছে তৃতীয় লিংগৰ। প্ৰণিধানযোগ্য যে, নিৰ্বাচন আয়োগে ঘোষণা কৰা মতে, ৮৫ বছৰৰ ওপৰৰ ভোটাৰৰ বাবে ঘৰৰ পৰা ভোটদানৰ সুবিধা প্ৰদান কৰা হৈছে। ইয়াৰ বাবে ভোটগ্ৰহণকাৰীয়ে নিজৰ ঘৰলৈ গৈ ভোট ৰেকৰ্ড কৰা হ'ব। ইফালে, আজি লোকসভা নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰাৰ সময়তে কবি হৈ পৰে মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰ। মুখত হাঁহি সানি উপস্থিত সাংবাদিকক তেওঁ শুনায় 'ইভিএম'ৰ কবিতা। তেওঁৰ এই কাব্যিক ৰূপৰ কাৰণ আছিল ইলেক্ট্ৰনিক ভোটিং মেছিন বা ই ভি এমৰ ব্যৱহাৰ নিৰ্বাচনত কৰাক লৈ সাংবাদিকে সোধা প্ৰশ্ন। আজি সংবাদমেলত নিৰ্বাচনী আয়োগ সাংবাদিকৰ একাধিক কঠোৰ প্ৰশ্নৰো সন্মুখীন হয়। কেবাগৰাকী সাংবাদিকে সংবাদমেলত মুখ্য নিৰ্বাচনী আয়ুক্ত ৰাজীৱ কুমাৰক নিৰ্বাচন আয়োগৰ বিৰুদ্ধে উত্থাপন হৈ পক্ষপাতমূলক আচৰণৰ অভিযোগ সম্পৰ্কেও প্ৰশ্ন কৰা দেখা যায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিহু খাই ৩টা পৰ্যায়ত ভোট

এপ্ৰিলৰ পূৰ্বেই ভোটগ্ৰহণ সমাপ্ত হৈছিল। ২০১৯ চনত উজনি অসমত ১১ এপ্ৰিলত, মধ্য আৰু উত্তৰ অসমত ১৮ এপ্ৰিলত আৰু নামনি অসমত ২৩ এপ্ৰিলত ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল। কিয়নো এই সময়ছোৱা অসমৰ মানুহৰ বাবে বিশেষ সময়। এই সময়ছোৱাত অসমত হেঁপাহৰ ৰঙালী বিহুৰ সময়। ১৪ এপ্ৰিল মানৰ পৰা প্ৰায়ে অসমীয়া জাতিৰ আয়ুস ৰেখা স্বৰূপ বিহু আৰম্ভ হয়। অসমীয়াই ৰঙালী বিহুতকৈ নিৰ্বাচন ডাঙৰ বুলি কেতিয়াও মানি ল'ব নোখোজে। ইংৰাজী এপ্ৰিল মাহ মানে অসমীয়াৰ ব'হাগৰ বতৰ। অসমৰ জাতি উৎসৱৰ উলাহত মগন হৈ পৰাৰ সময়। ফাগুনৰ বাউলি বতাহজাকে ইতিমধ্যেই ব'হাগৰ খবৰ বিলাইছে, ডালে ডালে গীত জুৰিছে কুলিয়েও। অসমীয়াৰ এই বাপতি সাহোন বিহুটিৰৰ মাজতে ভোটগ্ৰহণ অনুষ্ঠিত কৰাত পূৰ্বে কেইবাবাৰো অসমীয়া নাৰাজ হৈছিল। এই কথাকে হয়তো লক্ষ্য কৰি লৈ এইবাৰ এপ্ৰিল মাহৰ শেষ পিনে তথা বহাগ বিহু সমাপ্ত হোৱাৰ পাছতহে ভোটগ্ৰহণ অনুষ্ঠিত কৰিব। সাত বিহু সমাপ্ত হোৱাৰ দিনটোতে উজনি অসমত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ১৯ এপ্ৰিলত শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড়, যোৰহাট, কাজিৰঙা সমষ্টিত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। দ্বিতীয় পৰ্যায়ত ২৬ এপ্ৰিলত দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ, নগাঁও সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। তৃতীয় পৰ্যায়ত ৭ মে'ত কোকৰাঝাৰ, গুৱাহাটী, বৰপেটা আৰু ধুবুৰী সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। উল্লেখ্য যে, নিৰ্বাচন আয়োগে সদৰী কৰা মতে, অসমত তিনিটা পৰ্যায়ত অনুষ্ঠিত হ'ব ভোটগ্ৰহণ। ১৯ এপ্ৰিলত প্ৰথম পৰ্যায়ত, ২৬ এপ্ৰিলত দ্বিতীয় পৰ্যায়ত আৰু ৭ মে'ত তৃতীয় পৰ্যায়ত এই নিৰ্বাচন অনুষ্ঠিত হ'ব। ইতিমধ্যে ব'হাগক আদৰিবলৈ পূৰ্ণ প্ৰস্তুতি আৰম্ভ কৰিছে অসমীয়াই। গাঁৱে গাঁৱে তাতশালত লগোৱা হৈছে বিহুৱান। নিৰ্বাচনৰ প্ৰচাৰৰ ধামখুমীয়াৰ মাজতে গাঁৱৰ জীয়াৰী-বোৱাৰীয়ে বিহুৰ পিঠা-পনাৰো যা-যোগাৰ আৰম্ভ কৰিব। মুঠতে নিৰ্বাচন আৰু বিহুৰ প্ৰস্তুতিয়ে ৪ জুনলৈকো এইকেইদিন অসমত এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হোৱাটো নিশ্চিত।

**অসমত কোনটো সমষ্টিত কেতিয়া ভোটগ্ৰহণ?**

| | |
|---|---|
| ১৯ এপ্ৰিল, শুকুৰবাৰ | কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড়, যোৰহাট |
| ২৬ এপ্ৰিল, শুকুৰবাৰ | দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ, নগাঁও |
| ৭ মে', মঙলবাৰ | কোকৰাঝাৰ, ধুবুৰী, বৰপেটা, গুৱাহাটী |

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মণিপুৰত শিবিৰতো ভোট

যি শিবিৰত আছে সেই শিবিৰৰ পৰা ভোটদানৰ অনুমতি দিয়া হ'ব। আজি এই কথা উল্লেখ কৰিছে মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে। মণিপুৰৰ দুখন লোকসভা আসনৰ নিৰ্বাচন ১৯ আৰু ২৬ এপ্ৰিলত দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব। মণিপুৰৰ পৰিস্থিতি সন্দৰ্ভত সোধা প্ৰশ্নত মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে কয় যে আমি সকলো ব্যৱস্থা কৰিম। আমি এখন আঁচনি প্ৰস্তুত কৰিছো, যাৰ বাবে আমি জাননী দিছো। শিবিৰৰ ভোটাৰসকলক শিবিৰৰ পৰা ভোট দিবলৈ অনুমতি দিয়া হ'ব। যেনে জম্মু আৰু কাশ্মীৰৰ প্ৰব্ৰজনকাৰীসকলৰ বাবে এটা আঁচনি আছে। একেদৰে আঁচনিখন মণিপুৰত ৰূপায়ণ কৰা হ'ব। ভোটাৰসকলক সংশ্লিষ্ট শিবিৰৰ পৰা ভোট দিবলৈ অনুমতি দিয়া হ'ব। উল্লেখ্য যে, বিগত বছৰৰ ৩ মে'ত মণিপুৰত গোষ্ঠীগত হিংসা আৰম্ভ হৈছিল। এই পৰ্যন্ত হিংসাত প্ৰায় ২০০ গৰাকী লোক নিহত হৈছে। ১ লাখতকৈ অধিক লোক গৃহহাৰা হৈছে। আজিও বহু লোক নিৰুদ্দেশ হৈ আছে। আজিও কোনো নহয় কোনো এক ঠাইত হিংসা সংঘটিত হয়। ইফালে এইবাৰো জম্মু আৰু কাশ্মীৰত অনুষ্ঠিত নহয় বিধানসভা নিৰ্বাচন। ২০১৪ চনত জম্মু আৰু কাশ্মীৰত অন্তিমবাৰ বিধানসভা নিৰ্বাচন অনুষ্ঠিত হৈছিল। তাৰ পাছৰে পৰা এতিয়ালৈ জম্মু আৰু কাশ্মীৰত নিৰ্বাচন অনুষ্ঠিত হোৱা নাই। এইবেলি জম্মু-কাশ্মীৰতে লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব যদিও বিধানসভা নিৰ্বাচন অনুষ্ঠিত নহয়। তাৰ বাবে নিৰ্বাচন আয়োগে নিৰাপত্তা তথা সুৰক্ষাক দোহাই দিছে। জম্মু-কাশ্মীৰত বিধানসভা নিৰ্বাচন অনুষ্ঠিত কৰিব নোৱাৰাৰ কাৰণ হিচাপে নিৰাপত্তা বুলি কয় আয়োগে। নিৰ্বাচন আয়োগে আকৌ এবাৰ নিৰাপত্তাৰ বিষয়টোকে পুনৰাবৃত্তি কৰি নিৰ্বাচন অনুষ্ঠিত কৰাৰ পৰা বিৰত থাকিল। ২০১৯ চনত সাধাৰণ নিৰ্বাচন ঘোষণা কৰাৰ সময়তো নিৰাপত্তা তথা সুৰক্ষা ব্যৱস্থাকে দোহাই দিছিল। যোৱা প্ৰায় ছয় বছৰ ধৰি জম্মু-কাশ্মীৰত লোকসভা-বিধানসভাৰ নিৰ্বাচিত অনুষ্ঠিত হোৱা নাই। কিন্তু আজি লোকসভা নিৰ্বাচনৰ লগতে অন্ধ্ৰপ্ৰদেশ, ওড়িশা, অৰুণাচল প্ৰদেশ আৰু ছিক্কিমৰ বিধানসভা নিৰ্বাচনৰ নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰিছে মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে। ৰাজীৱ কুমাৰ কয় যে জম্মু-কাশ্মীৰত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। কিন্তু লোকসভা নিৰ্বাচনৰ সৈতে অনুষ্ঠিত নকৰাৰ কাৰণ নিৰাপত্তাজনিত বুলি উল্লেখ কৰিছে। ৰাজীৱ কুমাৰে কয় যে জম্মু আৰু কাশ্মীৰ প্ৰশাসনে নিৰাপত্তাজনিত কাৰণত একেলগে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ অস্বীকাৰ কৰিছে। অৱশ্যে, লোকসভা নিৰ্বাচন শেষ হোৱাৰ লগে লগে ৰাজ্যখনত নিৰ্বাচন অনুষ্ঠিত কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। ৫ বছৰ পূৰ্বেই আয়োগে সুৰক্ষাৰ কাৰণে নিৰ্বাচন অনুষ্ঠিত কৰা নাছিল। তদানীন্তন মুখ্য নিৰ্বাচন আয়ুক্ত সুনীল অৰোৰাই ২০১৯ চনৰ এপ্ৰিল আৰু মে' মাহত লোকসভা নিৰ্বাচনৰ লগতে জম্মু-কাশ্মীৰত বিধানসভা নিৰ্বাচন অনুষ্ঠিত নকৰাৰ একেই কাৰণ উল্লেখ কৰিছিল। কেন্দ্ৰীয় চৰকাৰে অনুচ্ছেদ ৩৭০ অধীনতৰ জম্মু আৰু কাশ্মীৰৰ বিশেষ মৰ্যাদা প্ৰত্যাহাৰ কৰে আৰু আগষ্ট ২০১৯ত ৰাজ্যখনক দুটা কেন্দ্ৰীয় শাসিত অঞ্চলত বিভক্ত কৰে। ৰাজ্যখন বিতৰ্কিত সীমা নিৰ্ধাৰণ প্ৰক্ৰিয়া চলি আছে। ৯০ খন বিধানসভা আসন কৰা হ'ব বুলিও চৰ্চা হৈ আহিছে। আয়োগৰ এনে সিদ্ধান্তক লৈ এতিয়া অসন্তুষ্টি ব্যক্ত কৰিছে কাশ্মীৰৰ নেতাসকলে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ভোটাৰ কাৰ্ডৰ আবেদনৰ

বয়সৰ ভোটাৰসকলে আগতীয়াকৈ ভোটাৰ কাৰ্ডৰ বাবে আবেদন কৰিব পাৰে। নিৰ্বাচন আয়োগে শনিবাৰে নিৰ্বাচনৰ তাৰিখ ঘোষণা কৰি ভোটাৰ তালিকাৰ নাম প্ৰাপ্ত কৰিবলৈ, আবেদনকাৰীৰ বয়স সেই বছৰৰ ১ জানুৱাৰীৰ ভিতৰত ১৮ বছৰ হ'ব লাগিব বুলি কয়। এতিয়াৰ পৰা ১৭ বছৰৰ পিছত আগতীয়াকৈ ভোটাৰ কাৰ্ডৰ বাবে আবেদন কৰিব পাৰিব। যুৱক-যুৱতীসকলে বছৰত চাৰিবাৰ ভোটাৰ তালিকাত নাম ভৰ্তি কৰাৰ সুযোগ পাব। নিৰ্বাচন আয়োগে শনিবাৰে কয় যে যুৱক-যুৱতীসকলে ১৮ বছৰ বয়সৰ পিছত ভোটাৰ পৰিচয় পত্ৰ লাভ কৰিব। কিন্তু কাৰ্ডৰ বাবে আগতীয়াকৈ আবেদন কৰিব পাৰিব। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে কয় যে দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীসকলে আগতীয়াকৈ আবেদন কৰি ১৮ বছৰ বয়স সম্পূৰ্ণ হোৱাৰ লগে লগে ভোটাৰ কাৰ্ড লাভ কৰিব। নিৰ্বাচন আয়োগৰ সূত্ৰ অনুসৰি ১ জানুৱাৰীৰ উপৰিও, ১ এপ্ৰিল, ১ জুলাই আৰু ১ অক্টোবৰৰ ভিতৰত ১৮ বছৰ বয়সৰ লোকসকলে আগতীয়াকৈ আবেদন কৰিব পাৰিব। বছৰত চাৰিবাৰ আবেদনৰ সুযোগ পাব। ভোটাৰ কাৰ্ডখন ভোটদানত এক গুৰুত্বপূৰ্ণ দস্তাবেজ হিচাপে গণ্য কৰা হয়। দেশৰ নাগৰিকসকলে ১৮ বছৰ বয়স হোৱাৰ লগে লগে ভোটাৰ কাৰ্ডৰ বাবে আবেদন কৰিব পাৰিব। ৰাষ্ট্ৰীয় ভোটাৰ সেৱা পৰ্টেলত আবেদন কৰিব পাৰিব।

# ১ জুনত নৰেন্দ্ৰ মোদীৰ সমষ্টি বাৰাণসীত ভোটগ্ৰহণ

**নতুন দিল্লী, ১৬ মাৰ্চঃ** লোকসভা নিৰ্বাচনত নৰেন্দ্ৰ মোদী বিজেপিৰ মুখ্য চেহেৰা। নৰেন্দ্ৰ মোদীৰ বাৰাণসী সমষ্টিও দেশৰ চৰ্চিত লোকসভা সমষ্টি। কিয়নো নৰেন্দ্ৰ মোদীয়ে তৃতীয়বাৰ বাৰাণসী সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব। বাৰাণসী সমষ্টি আছে উত্তৰ প্ৰদেশত। উত্তৰ প্ৰদেশত সাতটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। বাৰাণসীত অন্তিম পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। অন্তিম পৰ্যায় হৈছে ১ জুন। আনহাতে ৪ জুনত সমগ্ৰ দেশত ভোটগণনা অনুষ্ঠিত হ'ব। নৰেন্দ্ৰ মোদীৰ বাৰাণসী সমষ্টিত শেষ পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হৈ যোৱাৰ তিনিটা দিন পাছতে দেশে এখন নতুন চৰকাৰ লাভ কৰিব। ৰাজ্যখনৰ আন দুখন ভিআইপি আসন ৰায়বৰেলী আৰু আমেঠিত ২০ মে'ত পঞ্চম পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ’ব। ৰায়বৰেলী আৰু আমেঠি গান্ধী পৰিয়ালৰ পৰম্পৰাগত সমষ্টি। ৰাজনাথ সিঙৰ লক্ষ্ণৌ সমষ্টিত ২০ মে'ত ভোটদান হ'ব। গুজৰাটৰ অমিত শ্বাহৰ সমষ্টি গান্ধীনগৰত তৃতীয় পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। গুজৰাটৰ ২৬ খন আসনৰ বাবে ৭ মে'ত একেটা দিনতে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। গান্ধীনগৰ আসনখন সদায় বিজেপিৰ হাতত থাকে। প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়ে এই আসনত জিকিছিল।



ভাৰত জোড়ো ন্যায় যাত্ৰাৰ সামৰণিৰ দিনটোৰ এটি দৃশ্য, শনিবাৰে মহাৰাষ্ট্ৰত

## আৰইআৰএৰ অধ্যক্ষ

# পৱন কুমাৰ বৰঠাকুৰক অৱসৰৰ পূৰ্বেই নতুন দায়িত্ব

**ই-সংবাদ, ১৬ মাৰ্চঃ** ৰাজ্যৰ জ্যেষ্ঠ আমোলা তথা মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰক অসম ৰিয়েল ইষ্টেট নিয়ামক কৰ্তৃপক্ষৰ (আৰইআৰএ) অধ্যক্ষ হিচাপে নিযুক্তি দিছে ৰাজ্য চৰকাৰে। বৰ্তমানেও মুখ্য সচিব পদত অধিষ্ঠিত হৈ আছে যদিও অৱসৰগ্ৰহণৰ পূৰ্বেই অসম চৰকাৰৰ গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগে এক নিৰ্দেশনা যোগে নিযুক্তি দিয়া বুলি জানিব পৰা গৈছে। ১ এপ্ৰিলত অৱসৰগ্ৰহণ কৰিব পৱন কুমাৰ বৰঠাকুৰে। মুখ্য সচিব বৰঠাকুৰ কাৰ্যকাল সমাপ্ত হোৱাৰ পাছতে এপ্ৰিলৰ পৰা অসম ৰিয়েল ইষ্টেট নিয়ামক কৰ্তৃপক্ষৰ অধ্যক্ষ হিচাপে দায়িত্ব গ্ৰহণ কৰিব। নতুন মুখ্য সচিব হ'ব ড০ ৰবি কোটা। ৰবি কোটাই ১ এপ্ৰিলত কাৰ্যভাৰ চম্ভালিব। অসমৰ ৰাজ্যপালে গোলাবচান্দ কাটাৰীয়াই পৱন কুমাৰ বৰঠাকুৰক অসম ৰিয়েল ইষ্টেট নিয়ামক কৰ্তৃপক্ষৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়ে। কাৰ্যালয়, দৰমহা আৰু অন্যান্য সেৱাৰ চৰ্তাৱলী আৰু নিয়মাৱলী অসম ৰিয়েল ইষ্টেট নিয়ন্ত্ৰণ আৰু উন্নয়ন দিশ চোৱাৰ দায়িত্ব দিয়াৰ কথা উল্লেখ কৰিছে।

# বড়ো ৰাইটাৰ্চ একাডেমী'ৰ প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, ১৬মাৰ্চঃ** চিৰাং জিলাৰ কাজলগাৱঁত 'বড়ো ৰাইটাৰ্চ একাডেমী'ৰ উদ্যোগত সংস্থাৰ কাজলগাওঁস্থিত মুখ্য কাৰ্যালয়ত ১৩ মাৰ্চৰ পৰা ১৭ মাৰ্চলৈকে পাঁচ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰা কাৰ্যসূচীৰ আজি চতুৰ্থদিন । অনুষ্ঠানৰ চতুৰ্থ দিনৰ কাৰ্যসূচী অনুসৰি বড়ো সমাজৰ বিশিষ্ট সাহিত্যিক তথা সাহিত্য অকাডেমি বঁটা প্ৰাপক নন্দেশ্বৰ দৈমাৰীৰ জীৱন শৈলীৰ ওপৰত এক আলোকপাত কৰা বাবে গুৰুত্বপূৰ্ণ আলোচনা সভা অনুষ্ঠিত কৰা হয় । বড়ো ৰাইটাৰ্চ একাডেমী'ৰ প্ৰাক্তন সভাপতি ৰাখাউ বসুমতাৰীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উক্ত সভাত সমল ব্যক্তি হিচাবে উপস্থিত থাকি নন্দেশ্বৰ দৈমাৰীৰ ওপৰত তেখেতৰ কৰ্মজীৱনৰ বিষয় বহৈচাৰ ব্ৰহ্মই প্ৰস্তুত কৰা সংক্ষিপ্ত জীৱনী আলোকপাত কৰে সহকাৰী সম্পাদক ৰজেন নাৰ্জাৰীয়ে। আনহাতে অনুষ্ঠানৰ লগত সংগতি ৰাখি ড০ সুবুংছাৰ মুছাহাৰীৰ সভাপতিত্বত আন এখন অনুষ্ঠান অনুষ্ঠিত কৰা হয় ।

# আব্দুল খালেক হ'ব বৰপেটাৰ বিপিএফৰ প্ৰাৰ্থী!

## অচিৰেই হাগ্ৰামাই কৰিব পাৰে ঘোষণা

**ই-সংবাদ, ১৬ মাৰ্চঃ** আজি বিপিএফ দলে দৰং-ওদালগুৰি আৰু কোকৰাঝাৰ সমষ্টিৰ প্ৰাৰ্থী ঘোষণা কৰিছে। কোকৰাঝাৰত অনুষ্ঠিত বিশেষ বৈঠকত দুটা সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ পাছতে হাগ্ৰামা মহিলাৰীয়ে নামনিৰ আন এটা সমষ্টিত প্ৰাৰ্থী থিয় কৰিব বুলি ব্যাপক চৰ্চা হ'ব ধৰিছে। বিপিএফ দলে বৰপেটা সমষ্টিত প্ৰাৰ্থী দিব পাৰে বুলি বিপিএফ দলৰ এটা বিশ্বস্ত সূত্ৰই দাবী কৰিছে। ইতিমধ্যে এগৰাকী শক্তিশালী নেতাই হাগ্ৰামা মহিলাৰীৰ সৈতে যোগাযোগ কৰি টিকট দাবী কৰা বুলি জানিব পৰা গৈছে। আজি নিশা কোকৰাঝাৰত এখন গোপন বৈঠক অনুষ্ঠিত হ'ব। যদি বৈঠকত সকলো ঠিকে-ঠাকে থাকে তেন্তে কাইলৈৰ ভিতৰত বিপিএফ দলে বৰপেটা সমষ্টিত প্ৰাৰ্থী ঘোষণা কৰিব পাৰে। এদিন পূৰ্বে কংগ্ৰেছ দল ত্যাগ কৰা বৰ্তমানৰ বৰপেটা সমষ্টিৰ সাংসদ আব্দুল খালেক হ'ব পাৰে বিপিএফৰ বৰপেটা সমষ্টিৰ প্ৰাৰ্থী। আব্দুল খালেকৰ সৈতে হাগ্ৰামা মহিলাৰীৰো ফোনযোগে আলোচনাও কৰিছে। বিপিএফ দলে গুৱাহাটী, শোণিতপুৰ লোকসভা সমষ্টিত প্ৰাৰ্থী ঘোষণা কৰিব পাৰে বুলি চৰ্চা চলিছে। উল্লেখ্য যে, বিপিএফে আজি আনুষ্ঠানিকভাৱে দুখন লোকসভা আসনৰ বাবে দলটোৰ প্ৰাৰ্থীৰ ঘোষণা কৰিছে। কোকৰাঝাৰ সমষ্টিত বিটিচিৰ প্ৰাক্তন উপ-কাৰ্যবাহী খাম্ফা বৰগয়াৰী আৰু দৰং-ওদালগুৰি সমষ্টিৰ বাবে বিধায়ক দুৰ্গাদাস বড়োৰ নাম ঘোষণা কৰিছে।



**আইৰ আশীৰ্বাদঃ প্ৰয়াত মাতৃৰ ফটোত বন্তি জ্বলাই নিৰ্বাচনৰ বাবে সাজু হৈছে লুৰীণজ্যোতি**

# ভাল খবৰ, ৰঙিয়াত ৰখাব ডিব্ৰুগড়-নিউ দিল্লী ৰাজধানী এক্সপ্ৰেছ

**ই-সংবাদ, ৰঙিয়া, ১৬ মাৰ্চঃ** আজি নিৰ্বাচনৰ তাৰিখ ঘোষণা হোৱাৰ দিনটোতে মঙলদৈৰ সাংসদ দিলীপ শইকীয়াই সামাজিক মাধ্যমত এটা পোষ্ট দি ডাঙৰ ঘোষণা কৰিছে। ডিব্ৰুগড়-নিউ দিল্লী ৰাজধানী এক্সপ্ৰেছ ৰঙিয়াত ৰখোৱাৰ ব্যৱস্থা কৰা হৈছে বুলি ঘোষণা কৰে। ৰে'লৰে কৰ্তৃপক্ষই প্ৰকাশ কৰা এখন পত্ৰ প্ৰকাশ কৰি সাংসদ দিলীপ শইকীয়াই এয়া ৰঙিয়াবাসী আৰু নামনি অসমবাসীৰ বাবে ভাল খবৰ বুলি দাবী কৰে। দীৰ্ঘদিন ধৰি ডিব্ৰুগড়-নিউ দিল্লী ৰাজধানী এক্সপ্ৰেছ ৰঙিয়াত ৰখোৱাৰ দাবী উত্থাপিত হৈ আছিল। নিৰ্বাচনৰ পূৰ্বে ৰে'লখন ৰঙিয়াত ৰখোৱাৰ অনুমতি প্ৰদান কৰে ৰে'লৰে কৰ্তৃপক্ষই। দিলীপ শইকীয়াই ফেচবুক পোষ্টত কয় "ৰঙিয়াবাসীৰ লগতে সমগ্ৰ নামনি অসমৰ ৰেলযাত্ৰীৰ বাবে সুখবৰ। ৰঙিয়াত অতি শীঘ্ৰে নামনিমুখী আৰু উজনিমুখী ডিব্ৰুগড়-নিউ দিল্লী ৰাজধানী এক্সপ্ৰেছ ৰেলখন ৰখোৱাৰ ব্যৱস্থা কৰা হ'ব। ৰাইজে দীৰ্ঘদিনীয়া দাবী জনাই আহিছিল। ৰেল ব'ৰ্ডে চীল-মোহৰ মাৰি সেউজ সংকেত প্ৰদান কৰিলে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় ৰেলমন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু যিসকল ব্যক্তি তথা অনুষ্ঠান-প্ৰতিষ্ঠানে এই দাবীটো উত্থাপন কৰি আহিছিল তেখেতসকলকো আন্তৰিক ধন্যবাদ আৰু শুভেচ্ছা জ্ঞাপন কৰিছো।"

## পাঁচটা সমষ্টিত নিৰ্বাচন খেলিব বিপিএফেঃ হাগ্ৰামা

# কোকৰাঝাৰত বিপিএফৰ প্ৰাৰ্থী খাম্পা বৰগয়াৰীক বিপুল আদৰণি



**ই-সংবাদ, কোকৰাঝাৰ, ১৬ মাৰ্চঃ** চিৰাং জিলাৰ বাথৌ খেৰাই ৰিজৰ্টত বিপিএফৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাৰ পিছতে বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে কোকৰাঝাৰ লোকসভা সমষ্টিৰ বাবে বিপিএফৰ প্ৰাৰ্থী হিচাপে বিটিচিৰ প্ৰাক্তন উপমুখ্য কাৰ্যবাহী খাম্পা বৰগয়াৰী আৰু দৰং ওদালগুৰি লোকসভা সমষ্টিৰ বাবে বিপিএফৰ প্ৰাৰ্থী হিচাপে বিধায়ক দুৰ্গাদাস বড়োৰ নাম ঘোষণা কৰাৰ পিছতে কোকৰাঝাৰস্থিত বিপিএফ কাৰ্যালয়ত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। কেবাশতাধিক সমৰ্থকে বিপিএফ কাৰ্যালয়ত ভিৰ কৰে আৰু বিপিএফৰ প্ৰাৰ্থী খাম্পা বৰগয়াৰী চিৰাংৰ পৰা বিপিএফৰ মুখ্য কাৰ্যালয়ত উপস্থিত হোৱাৰ পিছতে দলীয় নেতা-কৰ্মী-শুভকাংক্ষী সকলে পুষ্পবৃষ্টিৰে উষ্ম আদৰণি জনায়। সমৰ্থকসকলে আৰনাই, গামোচা আৰু ফুলৰ থোপাৰে খাম্পা বৰগয়াৰীক আদৰণি জনোৱাৰ লগতে নাচি-বাগিও আনন্দ প্ৰকাশ কৰা দেখা যায়। পিছত সংবাদমাধ্যমৰ আগত খাম্পা বৰগয়াৰীয়ে বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰী, দলৰ সকলো কাৰ্যকৰ্তা, সমৰ্থক আৰু ভোটাৰ ৰাইজলৈ কৃতজ্ঞতা জ্ঞাপন কৰি খাম্পা বৰগয়াৰীয়ে বিপিএফৰ বিজয় নিশ্চিত বুলি দাবী কৰে। তেওঁ কয় বিপিএফৰ "ইমেজ" ভাল, নিৰ্বাচনত জিকাৰ বাবে বহু আগৰে পৰা বিপিএফে কাম কৰি আছে। বিপিএফে কিমানসংখ্যক ভোট লাভ সেয়া কব পৰা নাযায় যদিও এইটো ঠিক বিপিএফে বিপুল ভোট লাভ কৰি জয়ী হ'ব। বিটিচিত শান্তি প্ৰতিষ্ঠা কৰা, সকলো জাতি জনগোষ্ঠীৰ সম উন্নয়নত গুৰুত্ব প্ৰদান কৰি খাম্পা বৰগয়াৰীয়ে কয় যে বিটিচিত ইউপিপিএল-বিজেপি-জিএচপি চৰকাৰে প্ৰতিশ্ৰুতি মতে কাম কৰা নাই যাৰ বাবে ৰাইজ অতিষ্ঠ হৈছে। জাতি জনগোষ্ঠীৰ মাজত বিভাজন, ধৰ্মৰ মাজত বিভাজন আনিছে আৰু কোনো ধৰণৰ উন্নয়ন কৰিব পৰা নাই বুলি মন্তব্য কৰি খাম্পা বৰগয়াৰীয়ে কয় যে বিপিএফে যি উন্নয়ন কৰিছিল সেইখিনিয়ে আছে। ৰাইজে এইবাৰ বহু ভোটৰ ব্যৱধানত বিপিএফ দলক জিকাব বুলি সিদ্ধান্ত লৈছে বুলি মন্তব্য কৰি খাম্পা বৰগয়াৰীয়ে তেওঁৰ টিকট প্ৰাপ্তিক সকলোলৈ কৃতজ্ঞতা জ্ঞাপন কৰে।ইপিনে সংবাদমাধ্যমৰ আগত বিপিএফে এইবাৰ পাঁচটা সমষ্টিত নিৰ্বাচন খেলাৰ কথা সদৰি কৰিছে হাগ্ৰামা মহিলাৰীয়ে। আজি কোকৰাঝাৰ লোকসভা সমষ্টিৰ বাবে বিপিএফৰ প্ৰাৰ্থী হিচাপে বিটিচিৰ প্ৰাক্তন উপমুখ্য কাৰ্যবাহী খাম্পা বৰগয়াৰী আৰু দৰং ওদালগুৰী লোকসভা সমষ্টিৰ বাবে বিপিএফৰ প্ৰাৰ্থী হিচাপে বিধায়ক দুৰ্গাদাস বড়োৰ নাম ঘোষণা কৰা হ'ল যদিও বিপিএফে প্ৰতিদ্বন্দিতা কৰিব লগা আন তিনি সমষ্টি ক্ৰমে গুৱাহাটী, বৰপেটা আৰু তেজপুৰ লোকসভা সমষ্টিৰ প্ৰাৰ্থী তিনিদিন পিছত ঘোষণা কৰা হ'ব। কোকৰাঝাৰত ইউপিপিএল, দৰং-ওদালগুৰিত বিজেপি, বৰপেটাত অগপৰ সতে বিপিএফৰ প্ৰতিদ্বন্দিতা হ'ব যদিও কেউটা সমষ্টিতে বিপিএফৰ প্ৰাৰ্থী জয়ী হ'ব বুলি দাবী কৰিছে হাগ্ৰামা মহিলাৰীয়ে। উল্লেখ্য যে চিৰাং জিলাৰ বাথৌ খেৰাই ৰিজৰ্টত বিপিএফৰ কাৰ্যনিৰ্বাহক সভাত আজি দলৰ প্ৰায় সংখ্যক কাৰ্যনিৰ্বাহক সদস্য উপস্থিত আছিল। ইয়াৰোপৰি প্ৰাক্তন মন্ত্ৰী প্ৰমিলা ৰাণী ব্ৰহ্ম, বিধায়ক ৰবিৰাম নাৰ্জাৰী, দলৰ প্ৰায়ভাগ জ্যেষ্ঠ নেতা, বিপিএফৰ নিৰ্বাচিত পাৰিষদসকল আদিকে ধৰি বহুসংখ্যক সমৰ্থক উপস্থিত আছিল।

## পৰিবহণ বিভাগৰ বিশেষ জনসেৱা পষেকৰ দ্বিতীয় দিন

# বাহন গৰাকীৰ ঘৰে ঘৰে পৰিবহন বিষয়া-কৰ্মীৰ দল

**গুৱাহাটীঃ ১৬মাৰ্চঃ** পৰিবহণ বিভাগৰ উদ্যোগত আৰম্ভ হোৱা বিশেষ জনসেৱা পষেকৰ আজি দ্বিতীয় দিনাও ৰাজ্যৰ উপ-পৰিবহণ আয়ুক্ত তথা অতিৰিক্ত দায়িত্বৱাহী কামৰূপ মহানগৰ জিলা পৰিবহণ বিষয়া গৌতম দাসৰ নেতৃত্বত মহানগৰীৰ বহু বাহনৰ গৰাকীৰ ঘৰত উপস্থিত হয় বিভাগৰ বিষয়া-কৰ্মীৰ দল ৷ কালি স্বয়ং উপ-পৰিবহণ আয়ুক্ত গৰাকীয়ে বাহনৰ গৰাকীৰ কাষত নিজে উপস্থিত হৈ নথিপত্ৰ বিষয়ক সমস্যাৰ ঠিতাতে সমাধান কৰাৰ অন্তত আজি কাৰ্যালয়লৈ ফোনযোগে অহা অনুৰোধ,আবেদনৰ সংখ্যা আছিল সৰ্বাধিক। সেয়ে আজি গণেশগুৰি, হাতীগাঁও ডাউন টাউন, সৰুমটৰীয়া আদি গুৰুত্বপূৰ্ণ স্থানসমূহত বিভিন্ন বাহনৰ গৰাকীৰ গৃহত পুৱাৰ ভাগতে গৈ উপস্থিত হয় বিভাগৰ বিষয়া-কৰ্মচাৰীৰ দল। বাহনৰ গৰাকীৰ কাষত উপস্থিত হৈয়ে অনলাইনযোগে যানবাহনৰ বকেয়াসহ যাৱতীয় কৰ আদায় দিব নোৱাৰাকে ধৰি বাহনৰ নথিপত্ৰ নৱীকৰণৰ ক্ষেত্ৰত দেখা দিয়া সমস্যা দূৰ কৰে। ইফালে যানবাহনৰ কৰ-কাটলসমূহ সময়মতে পৰিশোধ নকৰাত নথিপত্ৰ নৱীকৰণ কৰাৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাৰ দিশতো উল্লেখ কৰিকৰ অনাদায়ী বাহনৰ গৰাকীসকলক শীঘ্ৰে কৰমুক্ত হ'বলৈ আহ্বান জনাই ডিমাণ্ড নটিছ প্ৰেৰণ কৰে। শনিবাৰে বাহনৰ গৰাকীৰ ঘৰে ঘৰে উপস্থিত হোৱা বিষয়া কৰ্মীৰ দলটোত আছিল ক্ৰমে জোনালী পাটোৱাৰী, ৰীণাৰানী ডেকা, নৱজ্যোতি বৈশ্য আৰু আব্দুল হামিদ। অহা ৩১মাৰ্চলৈকে চলিবলগীয়া জনসেৱা পষেকৰ সময়চোৱাত বাহনৰ কৰকাটল পৰিশোধ কৰাকে ধৰি নথিপত্ৰ নৱীকৰণৰ ক্ষেত্ৰত দেখা দিয়া সমস্যা সন্দৰ্ভত অবগত কৰি ঘৰতে বহি পৰিবহণৰ বিষয়া কৰ্মীৰ সেৱা লাভ কৰিবলৈ ৯১২৭২০৬৮০৩, ৮৮২২৭৫৫৭৩৮, ৯১০১০২৯০৩০ আৰু ৮৪৮৬২৩৩১৫০নম্বৰত যোগাযোগ কৰিবলৈ উপ-পৰিবহণ আয়ুক্ত গৌতম দাসে বাহনৰ সন্মানীয় গৰাকীৰ প্ৰতি আহ্বান জনাইছে ৷

# মানৱ সম্পদ গঢ় দিয়াৰ পথত ই এম সঞ্জিত তাঁতীৰ এটি খোজ

## সঞ্জিত তাঁতীৰ উদ্যোগত ৰচনা প্ৰতিযোগিতা

**ই-সংবাদ, শুক্লাই, ১৬ মাৰ্চঃ** ৰাজনীতিৰ সমান্তৰালকৈ মানৱ সম্পদ গঢ় দিয়াত বিশেষ গুৰুত্ব দি আহিছে বিটিচিৰ কাৰ্যবাহী পাৰিষদ সঞ্জিত তাঁতীয়ে৷ ওদালগুৰি জিলাৰ ভাৰত ভুটান সীমান্তৱৰ্তী অতিকে অনগ্ৰসৰ নৰৈ চেৰফাং সমষ্টিৰ ছাত্ৰ ছাত্ৰী সকলৰ শৈক্ষিক আৰু বৌদ্ধিক বিকাশেৰে সুস্থ মানৱ সম্পদ গঢ়ি তোলাৰ লক্ষ্যৰে নিৰৱছিন্নভাৱে সংগ্ৰাম কৰি আহিছে বিটিচিৰ কাৰ্যবাহী পাৰিষদ গৰাকীয়ে৷ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক উত্তৰণৰ বাবে কাৰ্যবাহী পাৰিষদ সঞ্জিত তাঁতীয়ে বিনামূলীয়াকৈ কম্পিউটাৰ শিক্ষাৰ লগতে বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'ব পৰাকৈ বিনামূলীয়া প্ৰশিক্ষণৰ ব্যৱস্থা কৰি আহিছে৷ তীব্ৰ প্ৰতিযোগিতামূলক যুগত ছাত্ৰ ছাত্ৰীসকলক মানসিকভাৱে প্ৰস্তুত কৰি তুলিবলৈ ই এম সঞ্জিত তাঁতীয়ে নিজ তথা একক প্ৰচেষ্টাৰে এইবাৰ আয়োজন কৰিছে থিতাতে লিখা ৰচনা প্ৰতিযোগিতা। ছাত্ৰ ছাত্ৰী সকলৰ জীৱনৰ লক্ষ্য আৰু উদ্দেশ্যৰ আভাস লোৱাৰ উদ্দেশ্যৰে "মোৰ জীৱনৰ লক্ষ্য" শীৰ্ষক ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে৷ ২৪ মাৰ্চত নৰৈ চেৰফাঙৰ বামুনজুলিত অনুষ্ঠিত হ'ব প্ৰতিযোগিতাখন৷ দশম শ্ৰেণী উৰ্ধৰ সকলো ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব পাৰিব প্ৰতিযোগিতাত৷ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা সকলো ছাত্ৰ-ছাত্ৰীয়ে ২২ মাৰ্চৰ পূৰ্বে অনলাইন পঞ্জীয়ন কৰিব লাগিব বুলি জানিবলৈ দিছে কাৰ্যবাহী পাৰিষদ সঞ্জিত তাঁতীয়ে৷ প্ৰতিযোগিতাত প্ৰথম স্থানপ্ৰাপ্তক নগদ ত্ৰিশ হাজাৰ, দ্বিতীয় স্থানপ্ৰাপ্তক নগদ বিশ হাজাৰ আৰু তৃতীয় স্থানপ্ৰাপ্তক নগদ দহ হাজাৰ টকাৰে পুৰস্কৃত কৰাৰ লগতে পৰিপাটী হাতৰ আখৰৰ বাবে নগদ দহ হাজাৰ টকাৰ পুৰস্কাৰ আগবঢ়াব বুলি জানিবলৈ দিয়ে ই এম সঞ্জিত তাঁতীয়ে। ৰচনা প্ৰতিযোগিতাত সকলোৰে সহযোগিতা আৰু অংশগ্ৰহণ কামনা কৰিছে বিটিচিৰ উদ্যেমী যুৱ-ৰাজনীতিক সঞ্জিত তাঁতীয়ে সবিশেষ যোগাযোগৰ বাবে ৯১০১৯৭৫০৪৯ আৰু ৬৯০০৯১৫৯৯৬ নম্বৰত ফোন কৰিবলৈ আহ্বান জনাইছে।

# ৬৭০০ কিলোমিটাৰ যাত্ৰা কৰি মুম্বাইত ন্যায় যাত্ৰা সমাপ্ত কৰিলে ৰাহুল গান্ধীয়ে

**ই-সংবাদ, ১৬মাৰ্চঃ** লোকসভা নিৰ্বাচনৰ তাৰিখ ঘোষণা কৰাৰ দিনটোতে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে শনিবাৰে মুম্বাইত ভাৰত জোড়ো ন্যায় যাত্ৰা সমাপ্ত কৰে। হাজাৰ হাজাৰ লোকে মুম্বাইত ৰাহুল গান্ধীক আদৰণি জনায়। পথৰ দুয়োকাষে মানুহৰ দীঘলীয়া শাৰী দেখা যায়। শেষ দিনটোত ৰাহুল গান্ধীয়েও মুম্বাইৰ ধাৰাৱী বস্তিলৈ গৈ ৰাইজক সম্বোধন কৰে। তাৰ লগে লগে দলৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধীৰ সৈতে মুম্বাইৰ ড০ বাবাচাহেব আম্বেদকাৰ স্মাৰক পৰিদৰ্শন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ধাৰাৱীৰ দক্ষতাক সমৰ্থন কৰা উচিত, ধাৰাৱীৰ বাবে বেংকৰ



দুৱাৰ মুকলি কৰিব লাগে, কিয়নো আপোনালোকৰ দৰে মানুহে দেশখন তৈয়াৰ কৰিছে বুলি কয় ৰাহুল গান্ধীয়ে। ৰাহুল গান্ধীয়ে আৰু কয় যে আজি ভাৰত জোড়ো ন্যায় যাত্ৰাৰ সমাপ্তি। কিন্তু এয়াই শেষ নহয়, ন্যায়ৰ বাবে যুঁজৰ আৰম্ভণিহে! যাত্ৰাৰ সময়ত, মই প্ৰতিটো শ্ৰেণীৰ প্ৰতি কৰা ভয়ংকৰ অন্যায় আৰু অত্যাচাৰৰ বিষয়ে জানিব পাৰিছো আৰু বুজি পাৰিছো। যাত্ৰাৰ সমাপ্তিত প্ৰিয়ংকা গান্ধীয়ে কয় যে আজি ৰাহুল গান্ধীৰ ৬৭০০ কিলোমিটাৰ ন্যায় যাত্ৰা সমাপ্ত কৰিছে। দেশবাসীক দেশৰ সত্যটো দেখুৱাবলৈ আৰু ক'বলৈ এই যাত্ৰা আৰম্ভ কৰিছিল।

## প্ৰধানমন্ত্ৰীৰ স্বাৰ্থত সকলো বিজেপি কৰ্মীক এক হৈ কাম কৰাৰ আহ্বান

# সকলোৰে এৰক বাদ-বিবাদঃ বশিষ্ঠত মুখ্যমন্ত্ৰীৰ উপস্থিতিত বৈঠক

**ই-সংবাদ, ১৬মাৰ্চঃ** দেশৰ সাধাৰণ নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ দিনটোতে আজি অসমৰ বিজেপিৰ ৰাজ্যিক নেতাসকলক বিশেষ মন্ত্ৰ দিলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। বিজেপিৰ বশিষ্ঠস্থিত ৰাজ্যিক মুখ্য কাৰ্যালয়ত অনুষ্ঠিত সাংগঠনিক সভাত অংশ লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যিক নেতা তথা মন্ত্ৰী-বিধায়কসকলক নিৰ্বাচনত জয়ী হ'বলৈ কেনেদৰে পথাৰত নামিব তাৰ মন্ত্ৰ দিয়ে। ১৪টা লোকসভা সমষ্টি আৰু ১২৬টা বিধানসভা সমষ্টিত নিযুক্তি দিয়া তত্বাৱধায়কৰ উপস্থিতিত অনুষ্ঠিত হয় সভাখন। মুখ্যমন্ত্ৰীয়ে দায়িত্বপ্ৰাপ্ত নেতাসকলক বিতৰ্ক এৰি চলি যাবলৈ পৰামৰ্শ প্ৰদান কৰে। আজিৰে পৰা সমষ্টিৰ চুকে-কোণে প্ৰচাৰ আৰম্ভ কৰিবলৈ নিৰ্দেশ দিয়ে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনিসমূহৰ কথা জনগণৰ ওচৰলৈ নি তাৰ দ্বাৰা ৰাইজে কেনেদৰে লাভৱান হৈছে সজাগতা সৃষ্টিৰ আহ্বান জনায়। সকলো ধৰণৰ চাপৰ পৰা মুক্ত হৈ দুমাহ দলৰ হৈ কাম কৰাৰ লগতে বিজেপিৰ আদৰ্শক বেয়া পোৱা লোকৰ ওচৰলৈও গৈও নম্ৰ হৈ বুজনি দিবলৈ আহ্বান জনায়। হিমন্ত বিশ্ব শৰ্মাই লোকসভা নিৰ্বাচনৰ প্ৰচাৰ ২০২৬ চনক লক্ষ্য কৰিব ল'বলৈ কয়। যদি লোকসভা নিৰ্বাচনত ১৩ খন আসন জয়ী হ'ব পৰা যায় তেন্তে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ লক্ষ্য এতিয়াই নিৰ্ধাৰণ হৈ পৰিল বুলি নেতাসকলক বুজনি দিয়ে। আনহাতে দায়িত্ব দিয়া নেতাসকলক বাদ-বিবাদ এৰি কাম কৰিবলৈ আহ্বান জনায়। সকলোকে নৰেন্দ্ৰ মোদীক পুনৰ প্ৰধানমন্ত্ৰী কৰাৰ স্বাৰ্থতে দেহে-কেহে কাম কৰিবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে। কিয়নো বিজেপিৰ এনে কিছুমান নেতাক একেলগে একো একোটা সমষ্টিত কাম কৰিবলৈ দিয়া হৈছে যিসকলৰ সম্পৰ্ক মুঠেই ভাল নহয়। যাৰ বাবে আজিৰ গুৰুত্বপূৰ্ণ বৈঠকত মুখ্যমন্ত্ৰীয়ে সকলোকে এক হৈ কাম কৰিবলৈ বিশেষভাৱে আহ্বান জনায়। সন্মুখত কেৱল প্ৰধানমন্ত্ৰীৰ নৰেন্দ্ৰ মোদীৰ স্বাৰ্থ ল'বলৈ কয়। একোটা সমষ্টিত কমেও দুজনকৈ তত্বাৱধায়ক নিযুক্তি দিছে

ৰাজ্যিক বিজেপিয়ে। গুৱাহাটী সমষ্টিত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, নগাঁও সমষ্টিত মন্ত্ৰী পীযুষ হাজৰিকা, কাজিৰঙা সমষ্টিত মন্ত্ৰী পীযুষ হাজৰীকা আৰু দীপ্লু ৰঞ্জন শৰ্মা, লখিমপুৰ সমষ্টিত ডা০ ৰণোজ পেগু, ডিব্ৰুগড় সমষ্টিত মন্ত্ৰী বিমল বৰা আৰু পুলক গোহাঁই, যোৰহাট সমষ্টিত মন্ত্ৰী অজন্তা নেওগ, শিলচৰ সমষ্টিত ডা০ ৰাজদীপ ৰয় আৰু বিশ্বৰূপ ভট্টাচাৰ্য্য, কৰিমগঞ্জ সমষ্টিত কৌশিক ৰায় আৰু কণাড পুৰকায়স্থক দায়িত্ব দিয়া হৈছে। আনহাতে, শোণিতপুৰ সমষ্টিত অশোক সিংহল আৰু পল্লৱ লোচন দাস, ডিফু সমষ্টিত তুলিৰাম ৰংহাং আৰু দেৱলাল গাৰ্লোছা, ধুবুৰী সমষ্টিত মন্ত্ৰী ৰণজিৎ দাস আৰু অশ্বিনী ৰায় সৰকাৰক দায়িত্ব দিয়া হৈছে। কোকৰাঝাৰ সমষ্টিত মন্ত্ৰী ৰণজিৎ দাস আৰু নাৰায়ণ ডেকাক দায়িত্ব দিয়া হৈছে। বৰপেটা সমষ্টিত মন্ত্ৰী জয়ন্তমল্ল বৰুৱা, দৰং-ওদালগুৰি সমষ্টিত মন্ত্ৰী জয়ন্তমল্ল বৰুৱা আৰু নিলীমা দেৱীক দায়িত্ব দিয়া হৈছে।

# বিটিআৰত সোমাল বিশ্বনাথ, শোণিতপুৰ জিলাৰ ৪১ খন গাঁও

## অন্তৰ্ভুক্ত হ'ব ৭০০ খন নতুন গাঁও, মিশ্ৰিত প্ৰতিক্ৰিয়া

**ই-সংবাদ, ১৬মাৰ্চঃ** বিটিআৰত নতুন নতুন গাঁও অন্তৰ্ভুক্ত কৰাৰ প্ৰক্ৰিয়া অব্যাহত আছে। বিটিআৰ চুক্তি অনুসৰি কিছু গাঁও বিটিআৰৰ পৰা কৰ্তন লগতে নতুন গাঁও অন্তৰ্ভুক্ত কৰাৰ কথা আছিল। সেই অনুসৰি নতুন গাঁও অন্তৰ্ভুক্ত কৰাৰ প্ৰক্ৰিয়া অব্যাহত আছে যদিও যিসমূহ গাঁৱে বিটিআৰৰ পৰা ওলাই যাব খুজিছিল সেই গাঁওসমূহক উলিয়াই দিয়াৰ ব্যৱস্থা কৰা হোৱা নাই। তাৰ মাজতে আজি বিটিআৰ অন্তৰ্ভুক্ত কৰা ৪১খন গাঁৱৰ মুৰব্বীক সম্বৰ্ধনা জনাই আকোৱালি ল'লে এবছু আৰু বিটিআৰৰ মুৰব্বী প্ৰমোদ বড়োৱে। এই গাঁওসমূহ হৈছে ঢেকিয়াজুলিৰ বাতাছিপুৰৰ। বিটিআৰৰ প্ৰধান প্ৰমোদ বড়ো, এবছু নেতৃত্বৰ উপস্থিতিত ৪১ খন গাঁৱৰ ৰাইজ আনুষ্ঠানিকভাৱে বিটিআৰতঅন্তৰ্ভুক্ত কৰা হয়। নিখিল বড়ো ছাত্ৰ সন্থাৰ শোণিতপুৰ জিলা সমিতিৰ উদ্যোগত বাতাছিপুৰত এখন সভা অনুষ্ঠিত হয়। এই সভাত বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, এবছুৰ সভাপতি দ্বীপেন বড়ো উপস্থিত থাকে। এই সভাত ৪১ খন গাঁৱৰ ৪১০ জ্যেষ্ঠ তথা মুৰব্বী লোকক সম্বৰ্ধনা জনাই বিটিআৰলৈ স্বাগতম জনায়। অসম চৰকাৰৰ অধিসূচনা অনুসৰি শোণিতপুৰ আৰু বিশ্বনাথ জিলাৰ ৪১ খন গাঁও বিটিআৰত অন্তৰ্ভুক্ত কৰা হৈছিল। জ্যেষ্ঠ লোকসকলক সম্বৰ্ধনা জনাই গাঁওসমূহক আকোৱালি লৈ প্ৰমোদ বড়োৱে বিটিআৰ চুক্তিৰ ফলত বাতাছিপুৰৰ বড়ো ৰাইজে ন্যায় লাভ কৰা বুলি কয়। এই অঞ্চলৰ ৰাইজে শিক্ষা, সামাজিক-অৰ্থনৈতিকভাৱে পিছপৰি থাকিবলগীয়া হৈছিল। আজি বিটিআৰ চুক্তিৰ দ্বাৰা এই অঞ্চলসমূহত শান্তি ঘুৰি আহিছে। ইয়াৰ সমস্যা, অভাৱসমূহ বিটিআৰ কৰ্তৃপক্ষই শুনিব আৰুসমাধান কৰিব। আনহাতে প্ৰমোদ বড়োৱে সভাত ভাষণৰত অৱস্থাতে নতুন গাঁওসমূহৰ বাবে বিশেষ সাহায্য ঘোষণা কৰে। ৪১ খন গাঁৱত বাথৌ মন্দিৰ, ব্ৰহ্ম ধৰ্মৰ মন্দিৰৰ বাবে ২লাখ টকাকৈ অনুদান, ১৩খন প্ৰাথমিক বিদ্যালয়ক ২০ লাখকৈ, ৫ কোটি টকাৰে ষ্টেডিয়াম নিৰ্মাণ, মডেল এম.ই স্কুলৰৰ উন্নয়নৰ বাবে ২৫ লাখ, আঞ্চলিক বাথৌ মন্দিৰ নিৰ্মাণৰ বাবে ২৫ লাখ টকা প্ৰদানৰ ঘোষণা কৰে। এবছুৰ সভাপতি দ্বীপেন বড়ো শোণিতপুৰ আৰু বিশ্বনমাথ জিলাৰ প্ৰায় ৭০০ খন গাঁও বিটিআৰত অন্তৰ্ভুক্ত হোৱাৰ দাবী কৰিছে। দ্বীপেন বড়োৱে কয় যে বিটিআৰ চুক্তিৰ দফাসমূহ কাৰ্যকৰী কৰিম বুলি মুখ্যমন্ত্ৰীয়ে কথা দিছে। শোণিতপুৰ আৰু বিশ্বনাথ জিলাৰ প্ৰায় ৭০০খন বনাঞ্চলৰ জনজাতি অধ্যুষিত গাঁও বিটিআৰত অন্তৰ্ভুক্ত কৰাৰ প্ৰতিশ্ৰুতি দিছে। প্ৰথম পৰ্যায়ত ৪১ খন গাঁও বিটিআৰত অন্তৰ্ভুক্তি হ'ল। বাকী গাঁওসমূহো বিটিআৰত অন্তৰ্ভুক্ত কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ আহ্বান দ্বীপেন বড়োৰ।

# তেলেংগানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰীৰ কন্যাক ইডিৰ জিম্মালৈ প্ৰেৰণ

**নতুন দিল্লী, ১৬মাৰ্চঃ** দিল্লীৰ সুৰা নীতি গোচৰত গ্ৰেপ্তাৰ তেলেংগানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কে চন্দ্ৰশেখৰ ৰাওৰ কন্যা তথা বি আৰ এছৰ নেত্ৰী কে কবিতাক ২৩ মাৰ্চলৈকে ইডিৰ জিম্মালৈ প্ৰেৰণ কৰা হৈছে। আজি দিল্লীৰ এখন আদালতে কে কবিতাক ইডিৰ জিম্মালৈ প্ৰেৰণ কৰে। উল্লেখ্য যে, দিল্লীৰ সুৰা নীতি কেলেংকাৰীত আম আদমী পাৰ্টিৰ কেইবাগৰাকীও নেতাৰ লগতে বি আৰ এছৰ নেত্ৰীগৰাকীও জড়িত থকাৰ অভিযোগ উত্থাপন কৰি তদন্ত চলায় ইডিয়ে। ইফালে আজি আদালতৰ শুনানিৰ সময়ত কে কবিতাৰ অধিবক্তাই দাবী কৰে যে নেত্ৰীগৰাকীক ষড়যন্ত্ৰমূলকভাৱে এই গোচৰৰ সৈতে জড়িত কৰোৱা হৈছে। উল্লেখ্য যে, বি আৰ এছ নেত্ৰীগৰাকীক



পূৰ্বে এই গোচৰত দুবাৰকৈ চমন জাৰি কৰিছিল ইডিয়ে। কিন্তু দুয়োবাৰেই কে কবিতাই এই চমন আওকান কৰাত অৱশেষত শুকুৰবাৰে তেওঁৰ হায়দৰাবাদস্থিত বাসগৃহত অভিযান চলায় ইডিৰ দলে। এই অভিযানৰ মাত্ৰ কেইঘণ্টামান পিছতে তেওঁক গ্ৰেপ্তাৰ কৰি দিল্লীলৈ অনা হয়। ইফালে আজি একেটা গোচৰত দিল্লীৰ আদালতত হাজিৰ হয় দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল। তেওঁ বাৰে বাৰে ইডিৰ চমন আওকান কৰাৰ পিছত আদালতৰ কাষ চাপিছিল তদন্তকাৰী সংস্থাটো। আজি এই গোচৰৰ শুনানি গ্ৰহণ কৰি ৰাউজ এভিনিউ আদালতে দিল্লী সুৰা নীতিৰ গোচৰৰ সৈতে জড়িত দুটা অভিযোগত জামিন মঞ্জুৰ কৰে কেজৰিৱালৰ।

শেষ পৃষ্ঠা

# ৰাম বাবু অলিম্পিকলৈ



**নতুন দিল্লী, ১৬ মার্চঃ** ভাৰতৰ সপ্তম জন এথলেট হিচাপে ৰাম বাবুৱে ২০ কিলোমিটাৰ খোজ কঢ়াত পেৰিছ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰিছে। আজি শ্লোভানিয়াৰ দুডিন'কা মিটত ১ ঘণ্টা ২০ মিনিটত ২০ কিলোমিটাৰ সম্পূৰ্ণ কৰি পেৰিছৰ টিকট লাভ কৰে তেওঁ। বিগত বৰ্ষৰ হাঞ্জো' এচিয়ান গেমছত ৩৫ কিলোমিটাৰ খোজ কঢ়াত ৰূপৰ পদক জয় কৰা খেলুৱৈ জনে পৰ দুডিন'কাত তৃতীয় স্থান অধিকাৰ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ২০ কিলোমিটাৰ খোজ কঢ়া প্ৰতিযোগিতাৰ বাবে অৰ্জনৰ নিৰ্ধাৰিত মান হ'ল ১ ঘণ্টা ২০ মিনিট ১০ ছেকেণ্ড।

# বহিস্কৃত অচিন্ত চিউলী

**পাটিয়ালা, ১৬ মার্চঃ** অনুশাসন ভংগৰ অপৰাধত ভাৰোত্তোলক অচিন্ত চিউলীক অলিম্পিক প্ৰস্তুতি শিবিৰৰ পৰা বহিষ্কাৰ কৰি দিয়া হৈছে। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমত প্ৰকাশ পোৱা মতে তেওঁ ছোৱালী আৱাসত অনাধীকাৰ প্ৰৱেশ কৰিছিল। উল্লেখ্য যে পাটিয়ালাৰ ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিষ্ঠানত পেৰিছ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰা কিছু সংখ্যক ভাৰতীয় খেলুৱৈৰ প্ৰস্তুতি শিবিৰ চলি আছে। তাতেই অচিন্তৰ বিৰুদ্ধে অনুশাসন ভংগৰ অভিযোগ উত্থাপন হয়। অভিযোগ সঁচা প্ৰমাণিত হোৱাত তেওঁক শিবিৰৰ পৰাই উলিয়াই দিয়া হয়। ইয়াৰ ফলত ২০২২ চনৰ কমনৱেলথ গেমছৰ সোণৰ পদক জয় কৰা খেলুৱৈ জনৰ অলিম্পিকত অংশগ্ৰহণ কৰাকলৈ অনিশ্চয়তাৰ সৃষ্টি হৈছে।










newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮ | বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান